# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 14-07-2025
**Time :** 1800 HRS

# *Assamese Evening Bulletin*
**-------------------**

ooooo

স্বাধীনতা দিৱস উপলক্ষে যোৱা ২ আগষ্টৰ পৰা কেন্দ্ৰীয় চৰকাৰে আৰম্ভ কৰা **হৰ ঘৰ তিৰংগা** অভিযানৰ অধীনত ৰাজ্যৰ বিভিন্ন জিলাত প্ৰশাসনে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিছে।

শোণিতপুৰ জিলাত বিজেপিৰ তেজপুৰ নগৰ মণ্ডল আৰু হলেশ্বৰ মণ্ডলৰৰ উদ্যোগত ত্ৰিৰংগা যাত্ৰা উলিওৱা হয়। একেদৰে ন-দুৱাৰ সমষ্টিৰ চাৰিদুৱাৰ বন বিভাগৰ কাৰ্যালয়ৰ সমীপৰ পৰা কেইবাগৰাকীয়ে শিক্ষাৰ্থীয়ে ত্ৰিৰংগা যাত্ৰা কাৰ্যসূচী ৰূপায়ণ কৰে।

ৰাজ্যৰ অন্য প্ৰান্তৰ দৰে যোৰহাটতো জিলা প্ৰশাসনৰ উদ্যোগত **হৰ ঘৰ তিৰংগা** অভিযানৰ অধীনত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ অংশস্বৰূপে আজি যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত ত্ৰিৰংগ সমলয় অনুষ্ঠিত হয়। কেন্দ্ৰীয় ঔদ্যোগিক বাহিনী, বায়ুসেনা, সৈনিক স্কুলৰ শিক্ষাৰ্থীসকলে এই অনুষ্ঠানত গীত আৰু নৃত্য পৰিৱেশন কৰে।

ooooo

স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰপতিৰ আৰক্ষী পদকসমূহ ঘোষণা কৰা হৈছে। এই বছৰ আৰক্ষী, অগ্নি নিৰ্বাপন, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা সেৱাৰ মুঠ এহেজাৰ ৯০ গৰাকী কৰ্মীলৈ এই পদক আগবঢ়োৱা হৈছে। এই পদক লাভ কৰাসকলৰ ভিতৰত অসমৰ ১৭ গৰাকী আৰক্ষী কৰ্মী আছে। আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তলৈ উৎকৃষ্ট সেৱাৰ বাবে ৰাষ্ট্ৰপতিৰ আৰক্ষী পদক আগবঢ়োৱা হৈছে। আৰক্ষী অধীক্ষক গৌৰৱ অভিজিৎ দিলীপ, মহকুমা আৰক্ষী বিষয়া হেমন্ত কুমাৰ বড়ো আৰু কনিষ্টবল অখিলৰঞ্জন দাসে সাহসিকতাৰ আৰক্ষী পদক লাভ কৰিছে। একেদৰে আৰক্ষী মহাপৰিদৰ্শক সংযুক্তা পৰাশৰ, আৰক্ষী মহাপৰিদৰ্শক বিবেক ৰাজ সিং, কামাণ্ডেণ্ট জয়শ্ৰী খেৰচা, আৰক্ষী অধীক্ষক হৃদয়জিৎ বৰ্মন, আৰক্ষী অধীক্ষক নুমল মাহাট্টা, কামাণ্ডেণ্ট দেৱাশীষ বৰা, কামাণ্ডেণ্ট টাবুৰাম পেগু, উপ-আৰক্ষী অধীক্ষক নিৰ্মল চন্দ্ৰ বিশ্বাস, আৰক্ষী পৰিদৰ্শক ললিত শইকীয়া, উপ-পৰিদৰ্শক অখিল কুমাৰ দাস, পৰিদৰ্শক ধ্ৰুৱ ছুৰ্কি, সহকাৰী কামাণ্ডেণ্ট নবীন চন্দ্ৰ শৰ্মা আৰু উপ-পৰিদৰ্শক ৰবীন্দ্ৰ সিন্হাই বিশিষ্ট সেৱাৰ বাবে আৰক্ষী পদক লাভ কৰিছে।

ooooo

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি কেবিনেটৰ সিদ্ধান্তমৰ্মে দুৰ্গম অঞ্চলৰ খিলঞ্জীয়া লোকসকলৰ সুৰক্ষাৰ বাবে আগ্নেয়াস্ত্ৰৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ উদ্দেশ্যে এটা সুকীয়া সেৱা সেতু প’ৰ্টেল মুকলি কৰে। এই উপলক্ষে দিছপুৰৰ লোকসেৱা ভৱনত এখন সংবাদমেলত ডং শৰ্মাই কয়, যে ৰাজ্যৰ স্থায়ী বাসিন্দা তথা খিলঞ্জীয়া লোকসকলেহে আগ্নেয়াস্ত্ৰৰ অনুজ্ঞাপত্ৰ লাভ কৰিব। অনুজ্ঞাপত্ৰৰ বাবে আবেদনকাৰীৰ বয়স ২১ বছৰ

হ’ব লাগিব। আবেদনকাৰীৰ বিৰুদ্ধে গোচৰ চলি থাকিলেও অনুজ্ঞাপত্ৰ দিয়া নহ’ব। মানসিক আৰু শাৰীৰিকভাৱে সুস্থ লোককহে এই অনুজ্ঞাপত্ৰ প্ৰদান কৰা হ’ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ইয়াৰ উপৰি বৈধ অস্ত্ৰ চালনাৰ প্ৰশিক্ষণৰ প্ৰমাণপত্ৰ থকা লোকসকলেহে সেৱা সেতু প’ৰ্টেলযোগে অনুজ্ঞাপত্ৰৰ বাবে আবেদন কৰিব পাৰিব। আগ্নেয়াস্ত্ৰৰ প্ৰশিক্ষণ নোলোৱা ব্যক্তিক অনুজ্ঞাপত্ৰ প্ৰদানৰ পাছত প্ৰশিক্ষণ দিয়াৰো ব্যৱস্থা কৰা হ’ব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়। তেওঁ কয়, যে ৰাজ্যৰ ভিন্ন প্ৰান্তত প্ৰাক্তন সেনা বিষয়া, প্ৰাক্তন আৰক্ষী বিষয়াৰ দ্বাৰা অস্ত্ৰ চালনাৰ প্ৰশিক্ষণ দিয়া হ’ব। আবেদনৰ পাছত জিলা আয়ুক্তৰ কাৰ্যালয়ে তেওঁলোকক অনুজ্ঞাপত্ৰ প্ৰদান কৰিব। নিজক বিপদাপন্ন হ’লেও নিজৰ সংস্কৃতি ৰক্ষা কৰা সাহসী ভাৰতীয়সকলৰ বাবে এই আঁচনিখন মুকলি কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই উল্লেখ কৰে। তেওঁ কয়, যে এই আঁচনিয়ে অসমৰ মাটি-ভেটি আৰু সংস্কৃতি ৰক্ষা কৰাত খিলঞ্জীয়াক সহায় কৰিব বুলি তেওঁ কয়।

০০০০০

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত কাইলৈৰ পৰা ২১ আগষ্টলৈ পৰাক্ৰমী পূৰ্বোত্তৰ নাট মেলাৰ আয়োজন কৰা হৈছে। স্বাধীনতা সংগ্ৰামৰ উত্তৰ-পূৰ্বাঞ্চলৰ সংগ্ৰামীসকলৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য জনোৱাৰ উদ্দেশ্যে  ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত এই নাটমেলাৰ আয়োজন কৰা হৈছে। প্ৰতিদিনে বিয়লি ৫ আৰু সন্ধিয়া চাৰে সাত বজাত নাটসমূহ প্ৰদৰ্শন কৰা হ’ব। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ মূল প্ৰৱেশদ্বাৰৰ পৰা ১৮ আগষ্ট পৰ্যন্ত নিতৌ দিনৰ ১১ বজাৰ পৰা বিয়লি ৪ বজালৈ প্ৰৱেশ পত্ৰ সংগ্ৰহ কৰিব পাৰিব। ১২ বছৰৰ অনুৰ্ধ শিশুৰ প্ৰেক্ষাগৃহত প্ৰৱেশত বাধা থাকিব। এই নাটমেলাৰ অন্তৰ্গত প্ৰথম দিনা হিল্লোল কুমাৰ পাঠকৰ গোপীনাথ-যুগজয়ী স্বপ্নদ্ৰষ্টা নাট প্ৰদৰ্শন কৰা হব। ১৬ আগষ্টত গোভা ৰজা ছত্ৰচিং- অপ্ৰতিৰোধ্য দেওৰজা, ১৭ আগষ্টত মাংৰীমেম- সেউজী অগ্নিকন্যা, ১৮ আগষ্টত ব্ৰজনাথ- বিপ্লৱী অগ্নিবীৰ, ১৯ আগষ্টত জ্যোতিপ্ৰসাদ-সংগ্ৰামী জ্যোতিশিখা, ২০ আগষ্টত অম্বিকাগিৰী-অনিৰ্বাপিত একুৰা জুই আৰু ২১ আগষ্টত চন্দ্ৰপ্ৰভা- মুক্তিৰ এটি গান শীৰ্ষক নাট পৰিবেশন কৰা হ’ব।

০০০০০

বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই কাইলৈ কামৰূপ, নগাঁও, মৰিগাঁও আৰু কাৰ্বি আংলং জিলাত ধাৰাসাৰ বৰষুণ হ’ব পাৰে বুলি আশংকা কৰি জিলাকেইখনৰ বাবে ইয়েল’ এলাৰ্ট জাৰি কৰিছে। এই সময়ছোৱাত জিলাকেইখনৰ ঠাইবিশেষে ধাৰাসাৰ বৰষুণ হ’ব পাৰে আৰু বিজুলী ঢেৰেকনিৰে প্ৰতি  ঘণ্টাত ৪০ৰ পৰা ৫০ কিলোমিটাৰ বেগেৰে বতাহ বলাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০

সমাপ্ত